**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-01-2025 **Time :** 1340 Hrs.

***Assamese Evening Bulletin***
***<u>HEADLINES</u>***

১। অসমত আজি ভোগালী বিহুৰ উৰুকাৰে দুদিনীয়া মাঘবিহু উদযাপন আৰম্ভ হৈছে।

২। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, লোকসভাৰ অধ্যক্ষ আৰু গৃহমন্ত্ৰীয়ে মাঘবিহু, লহৰী, মকৰ সংক্ৰান্তি আৰু পোংগল উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য কাশ্মীৰৰ গন্দৰবাল জিলাত অভিলাষী সোণমাৰ্গ সুৰংগ প্ৰকল্প উদ্বোধন কৰে।

৪। উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি মহাকুম্ভ মেলাৰ শুভাৰম্ভ হৈছে।

**আৰু**

৫। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব।

oooooooo

অসমত আজি ভোগালী বিহুৰ উৰুকাৰে দুদিনীয়া মাঘবিহু উদযাপন আৰম্ভ হৈছে। মাঘৰ বিহুৰ উৰুকাৰ দিনা ৰাজ্যবাসীয়ে আজি নিশা সমূহীয়া ভোজ-ভাত খোৱাৰ দিহা কৰিছে। গ্ৰাম্যাঞ্চলত মেজি আৰু ভেলাঘৰৰ তলত সমূহীয়া ভোজ-ভাতৰ প্ৰস্তুতি চলিছে। গুৱাহাটীকে ধৰি ৰাজ্যখনৰ নগৰাঞ্চলৰ ৰাইজেও কংক্ৰিটৰ মজিয়াত একেলগে এসাঁজ খোৱাৰ বাবে প্ৰস্তুত হৈছে। ৰাজ্যখনৰ গ্ৰাম্যাঞ্চলৰ কেইবাখনো বিলত আজি গাঁওবাসীয়ে সমূহীয়াকৈ মাছ ধৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত বিল, জলাশয়সমূহত আজি পুৱাৰ ভাগত ওচৰৰ গাঁওবাসীক ২ ঘণ্টাৰ বাবে মাছ ধৰিবলৈ উদ্যান কৰ্তৃপক্ষই অনুমতি দিয়ে। ৰাজ্যখনৰ মাছৰ বজাৰসমূহত আজি পুৱতি নিশাৰে পৰা বিভিন্ন স্থানৰ পৰা মাছ ব্যৱসায়ীসকল উপস্থিত হোৱাৰ লগতে গ্ৰাহকৰো ভিৰ পৰিলক্ষিত হয়।

মাঘ বিহু উপলক্ষে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমবাসীক শুভেচ্ছা জনাইছে।

মাঘ বিহুত ৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰি অহা পৰম্পৰাগত ম'হ যুঁজ আৰু হাজোৰ বুলবুলি চৰাইৰ যুঁজ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত এই বাৰ অনুষ্ঠিত নহয়।

কাইলৈ মাঘবিহুৰ দিনাখন ৰাজ্যখনৰ বিভিন্ন স্থানত ভোগালী উৎসৱ আৰু বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

দেশৰ বিভিন্ন ৰাজ্যত পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিৰ দিনটো লহৰী, মকৰ সংক্ৰান্তি, পোংগল উৎসৱেৰে উদযাপন কৰা হয়।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, লোকসভাৰ অধ্যক্ষ ওম বিৰলা আৰু গৃহমন্ত্ৰী অমিত শ্বাহে মাঘবিহু,  লহৰী, মকৰ সংক্ৰান্তি আৰু পোংগল উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে এই উৎসৱবোৰ হৈছে দেশৰ সমৃদ্ধ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক। এই উৎসৱ দেশৰ জনসাধাৰণক অক্লান্তভাৱে খাদ্য শস্যৰ যোগান ধৰা কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপনৰ সুযোগ বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। এই উৎসৱে সকলোৰে জীৱনলৈ সুখ আৰু সমৃদ্ধি কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয়, যে দেশৰ ভিন্ন প্ৰান্তত পৰম্পৰাগতভাৱে পালন কৰা এই উৎসৱসমূহে দেশৰ সাংস্কৃতিক বৈচিত্ৰক প্ৰতিফলিত কৰাৰ লগতে শস্য চপোৱা কাৰ্যক সন্মান জনাই পালন কৰা পৰম্পৰাকো প্ৰতিনিধিত্ব কৰে। উপৰাষ্ট্ৰপতিগৰাকীয়ে লগতে মাঘ বিহু আৰু লহৰীত প্ৰজ্বলিত পৱিত্ৰ অগ্নিয়ে সমাজৰ সকলো অসূয়া-অশান্তি নাশ কৰিব বুলি আশা প্ৰকাশ কৰে। মকৰ সংক্ৰান্তি উদযাপনে জনসাধাৰণৰ জীৱন আনন্দৰে পৰিপূৰ্ণ কৰাৰ লগতে পোংগল উৎসৱৰ পৰম্পৰাগত মাধুৰ্য্যই সকলোৰে জীৱন আনন্দমুখৰ কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই এটা বাৰ্তাত কয়, যে লহৰী উৎসৱত প্ৰকৃতিৰ দান আৰু কৃষকৰ কঠোৰ শ্ৰম আৰু নিষ্ঠাক উদযাপন কৰা হয়। এই উৎসৱে সকলোৰে ঘৰলৈ সুখ-আনন্দ আৰু সমৃদ্ধিৰ লগতে দেশৰ বাবে বিকাশ আৰু উন্নয়নৰ বাৰ্তা কঢ়িয়াই আনিব বুলিও শ্ৰীবিৰলাই আশা ব্যক্ত কৰে।

গৃহমন্ত্ৰী অমিত শ্বাহে এটা বাৰ্তাযোগে উৎসৱৰ আনন্দ আৰু উদ্দীপনাই দেশৰ প্ৰতিগৰাকী নাগৰিকৰ জীৱনলৈ সুখ-সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মধ্য কাশ্মীৰৰ গন্দৰবাল জিলাত অভিলাষী সোণমাৰ্গ সুৰংগ প্ৰকল্প উদ্বোধন কৰে। এই সুৰংগটোৱে শ্ৰীনগৰ, সোণমাৰ্গ আৰু লেহৰ মাজত সকলো বতৰতে সুচল যাতায়াতত সহায় কৰাৰ লগতে গগনগীৰ আৰু সোণমাৰ্গৰ মাজত যাতায়াতৰ সময় ২০-২৫ মিনিটলৈ হ্ৰাস কৰিব। এই সুৰংগই লাডাখ অভিমুখী দুৰ্গম পথ ভূমিস্খলন আৰু তুষাৰপাতৰ সমস্যাৰ সন্মুখীন নোহোৱাকৈ সুৰক্ষিতভাৱে অতিক্ৰম কৰাত সহায় কৰিব।  দুহেজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ১২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই প্ৰকল্পটোৰ কাম ২০১৫ চনত আৰম্ভ কৰা হয় আৰু  যোৱা বছৰ ইয়াৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হয়। এই প্ৰকল্পটোৱে সোণমাৰ্গৰ মূল সুৰংগ, সুৰংগৰ প্ৰস্থান পথ আৰু সুৰংগলৈ যাবলগীয়া পথসমূহো সামৰি লৈছে। সুৰংগটো উদ্বোধন কৰি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে এতিয়াৰে পৰা  সোণমাৰ্গ গোটেই বছৰটো পৰ্যটকৰ বাবে আকৰ্ষণীয় স্থান হৈ থাকিব আৰু শীতকালীন পৰ্যটন, দুঃসাহসিক ক্ৰীড়া আদিৰ উন্নীতকৰণৰ ফলত স্থানীয় লোকসকলৰ জীৱিকাৰ ক্ষেত্ৰতো সহায় হ'ব বুলি মন্তব্য কৰে। এই সুৰংগই বাহনসমূহৰ গতিবেগ প্ৰতিঘণ্টাত ৩০ কিলোমিটাৰৰ পৰা ৭০ কিলোমিটাৰলৈ বৃদ্ধি কৰাৰ ফলত শ্ৰীনগৰ উপত্যকা আৰু লাডাখৰ মাজত সুচল যোগাযোগ নিশ্চিত হ'ব। উন্নত যোগাযোগ ব্যৱস্থাই প্ৰতিৰক্ষা বাহিনীৰ বাবে ৰচদ-পাতি যোগান সুচল কৰাৰ উপৰি অৰ্থনৈতিক বিকাশ আৰু জম্মু-কাশ্মীৰ আৰু লাডাখত আৰ্থ-সামাজিক ক্ষেত্ৰত সম্প্ৰীতিও বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত কেন্দ্ৰীয় ঘাইপথ আৰু স্থল পৰিবহণ মন্ত্ৰী

নীতিন গাডকাৰী, কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিং, জম্মু আৰু কাশ্মীৰৰ উপ-ৰাজ্যপাল মনোজ সিনহা আৰু ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ লগতে ভালসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত আজি মহাকুম্ভ মেলাৰ শুভাৰম্ভ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলোলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় প্ৰমূল্য আৰু সংস্কৃতিক উদযাপন কৰা সকলৰ বাবে আজিৰ দিনটো বিশেষ দিন বুলি অভিহিত কৰে। তেওঁ কয়, যে মহাকুম্ভমেলাই দেশৰ প্ৰাচীন আধ্যাত্মিক ঐতিহ্যক প্ৰতিফলিত কৰাৰ লগতে বিশ্বাস আৰু সম্প্ৰীতিৰ ধাৰাবাহিকতাক উদযাপন কৰে। শ্ৰী মোদীয়ে প্ৰয়াগৰাজত অগণন ভক্তৰ আগমন আৰু অমৃত স্নানত অংশগ্ৰহণৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ সকলো পৰ্যটক আৰু তীৰ্থযাত্ৰীলৈ শুভেচ্ছা জ্ঞাপন কৰি ভাৰতীয় আধ্যাত্মিক ঐতিহ্য বহনকাৰী এই বৃহৎ উৎসৱে ভক্তসকলৰ জীৱনত নতুন শক্তি আৰু উৎসাহৰ সঞ্চাৰ কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে, চলিত বছৰত বিশ্বৰ সৰ্ববৃহৎ সাংস্কৃতিক আৰু আধ্যাত্মিক সমাৱেশ হিচাপে পৰিগণিত হ'বলগীয়া এই মেলাত ৪৫ কোটিৰো অধিক ভক্তই অংশ লোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় ৰে'ল বিভাগে এই মেলাৰ বাবে ৩০০ খন বিশেষ ৰে'লকে ধৰি ১০ হাজাৰৰো অধিক ৰে'লগাড়ী চলাচল কৰোৱাৰ ব্যৱস্থা কৰিছে।

০০০০০০০

ঢাকাত থকা ভাৰতৰ উচ্চায়ুক্ত প্ৰণয় বাৰ্মা আৰু বাংলাদেশৰ বৈদেশিক সচিব মহম্মদ জেচিম উদ্দিনে আজি ঢাকাত দুয়ো দেশৰ সীমান্ত অঞ্চল অপৰাধমুক্ত কৰা সম্পৰ্কত এখন বৈঠকত মিলিত হয়। দুয়োগৰাকী কূটনীতিকে ভাৰত-বাংলাদেশ সীমান্তত চোৰাং সৰবৰাহ, অপৰাধীৰ গতিবিধি আৰু অবৈধ সৰবৰাহৰ দৰে প্ৰত্যাহ্বানসমূহৰ সমাধান কৰাৰ উপায় সম্পৰ্কে মত বিনিময় কৰে। আন্তৰ্জাতিক সীমান্তত ভাৰতে কাঁইটীয়া তাঁৰ নিৰ্মাণ কৰাক লৈ শেহতীয়াভাৱে বাংলাদেশ ব'ৰ্ডাৰ গাৰ্ডছ চমুকৈ বি জি বিয়ে ভাৰতৰ সীমান্ত সুৰক্ষা বাহিনী চমুকৈ বি এছ্ এফক বাধা প্ৰদান কৰাৰ বিষয়টোৰেও আলোচনাত ঠাই পায়। ভাৰতীয় উচ্চায়ুক্ত শ্ৰী বাৰ্মাই সীমান্তত স্থিতাৱস্থা বাহাল ৰখাৰ বাবে ভাৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি বাংলাদেশৰ বৈদেশিক সচিবগৰাকীক স্পষ্ট কৰি দিয়ে। বি এছ্ এফ আৰু বি জি বিৰ মাজত হ'বলগীয়া আলোচনাত সীমান্তৰ শেহতীয়া উত্তেজনা প্ৰশমনৰ বাবে ফলপ্ৰসূ আলোচনা হ'ব বুলি শ্ৰী বাৰ্মাই আশা প্ৰকাশ কৰে।

০০০০০০০

**১১ জানুৱাৰীত গুজৰাটত আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় চিলা মহোৎসৱত ৪৭খন দেশৰ ১৪৩ গৰাকী চিলা উৰুওৱা ব্যক্তিয়ে অংশ লৈছে।আহমেদাবাদৰ সবৰমতী নৈৰ পাৰত চিলা উৰুৱাই ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলে শনিবাৰে উৎসৱৰ শুভাৰম্ভ কৰে। "সাৱধানতাৰে বৰ্তি থকা" শীৰ্ষক বিষয় লৈ অনুষ্ঠিত এই মহোৎসৱত ১১খন দেশৰ ৰাষ্ট্ৰদূত আৰু ১১খন ৰাজ্যৰ ৫২ গৰাকী ব্যক্তিয়ে অংশগ্ৰহণকাৰীয়ে অংশগ্ৰহণ কৰিছে। গুজৰাটৰ ১১খন চহৰৰ ৪১৭ জন চিলা উৰুৱাই ভাল পোৱা লোকেও এই উৎসৱত নিজৰ কৌশল প্ৰদৰ্শন কৰিছে। আহমেদাবাদ, বদোদৰা, চুৰাট, ৰাজকোট, ধোৰদো, শিৱৰাজপুৰকে ধৰি**

সমগ্ৰ গুজৰাটৰ একাধিক স্থানত একেলগে এই উৎসৱ অনুষ্ঠিত হৈছে । কাইলৈ এই উৎসৱৰ সামৰণি পৰিব।

০০০০০০০

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **যক্ষ্মা মুক্ত ভাৰত** সন্দৰ্ভত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ উপ-সঞ্চালকপ্ৰধান অধ্যাপক উৰ্বশী বি সিঙৰ সৈতে হোৱা এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আকাশবাণী দিল্লী কেন্দ্ৰৰ পৰা প্ৰচাৰ হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাসকলে 011-2342 1050 আৰু 011-2331 4444 নম্বৰত ফোন কৰি যক্ষ্মা ৰোগ সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে লগতে ৱাটছএপ যোগে ৯২৮৯০-৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব অথবা হেচটেগ AskAir যোগে সামাজিক মাধ্যম X-ত প্ৰশ্ন সুধিব পাৰিব।

০০০০০০০

নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি খো খো বিশ্বকাপ ২০২৫ আৰম্ভ হ'ব। ভাৰতীয় অলিম্পিক সংস্থাৰ সহযোগত এই উদ্বোধনী সংস্কৰণত ২০টা পুৰুষ দল আৰু ১৯টা মহিলা দলে অংশগ্ৰহণ কৰিছে। ভাৰতীয় খো খো সংস্থাই এই প্ৰতিযোগিতাৰ বাবে পুৰুষ আৰু মহিলাৰ পৃথকে পৃথকে ১৫ জনীয়া দল ঘোষণা কৰে। প্ৰতীক ৱাইকাই নেতৃত্ব দিবলগীয়া ভাৰতীয় পুৰুষৰ দলটো নেপাল, পেৰু, ব্ৰাজিল আৰু ভূটানৰ সৈতে গ্ৰুপ-এত আছে। প্ৰিয়ংকা ইংলেৰ নেতৃত্ব মহিলা দলটো ইৰাণ, মালয়েছিয়া আৰু কোৰিয়াৰ সৈতে গ্ৰুপ-এত আছে। খো খো বিশ্বকাপৰ চূড়ান্ত খেলখন অহা ১৯ জানুৱাৰীত অনুষ্ঠিত হ'ব। আজি নিশা চাৰে ৮ বজাত ভাৰতৰ পুৰুষৰ দলটোৱে নেপালৰ বিৰুদ্ধে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব। দূৰদৰ্শনৰ ডি ডি স্পৰ্টছত খেলখনৰ পোনপটীয়া সম্প্ৰচাৰ কৰা হ'ব।

০০০০০০০

মহিলা হকী ইণ্ডিয়া লীগৰ এখন খেলত আজি ৰাঁচীত বেংগল টাইগাৰ্ছ সুৰমা হকী ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মাৰাং গোমকে জয়পাল সিং মুণ্ডা হকী ষ্টেডিয়ামৰ এষ্ট্ৰ' টাৰ্ফত হ'বলগীয়া এই খেলখন সন্ধিয়া ৬ বজাত আৰম্ভ হ'ব।

আনহাতে ৰুৰকেল্লাৰ বীৰছামুণ্ডা হকী ষ্টেডিয়ামত আজি সন্ধিয়া পুৰুষৰ হকী ইণ্ডিয়া লীগৰ এখন খেল তামিলনাডু ড্ৰেগনছ আৰু ডেলহী এছ জি পাইপাৰ্ছৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০০০

সমাপ্ত